Regional News Unit
All India Radio, Guwahati
0000000000

**Date :** 12-09-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

---------------

অসমত শেহতীয়াকৈ অবৈধ ট্ৰেডিং সম্পৰ্কীয় অপৰাধৰ অভিযোগ উত্থাপিত হোৱাৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই জনসাধাৰণক এনেধৰণৰ ভুৱা অনলাইন ষ্টক মাৰ্কেট ব্যৱসায়ত বিনিয়োগ নকৰিবলৈ আহ্বান জনাইছে। বিনিয়োগ কৰা ধন অতি কম সময়ৰ ভিতৰতে দুগুণ হ'ব বুলি কোনো লোকে কৰা দাবী স্পষ্টতঃ ভুৱা বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে এনেধৰণৰ অপৰাধ ৰোধ কৰাৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে।

ইফালে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাই ডিব্ৰুগড় আৰক্ষীৰ সন্মুখত আত্ম-সমৰ্পন কৰিছে। ভুৱা ট্ৰেডিঙৰ নামত কোটি কোটি টকা লুণ্ঠন কৰাৰ অভিযোগত বিশাল ফুকন নামৰ যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ পাছৰেপৰা চুমি বৰা আৰু তেওঁৰ স্বামী পলাতক অৱস্থাত আছিল। দহদিন পলাতক হৈ থকাৰ বাবে অসম আৰক্ষীয়ে তেওঁলোকলৈ লুক-আউট জাননী জাৰি কৰিবলগীয়া হৈছিল। ডিব্ৰুগড় আৰক্ষীয়ে অভিযান চলাই চলিত মাহৰ আৰম্ভণিতে গ্ৰেপ্তাৰ হোৱা এই কেলেংকাৰীৰ মূল অভিযুক্ত বিশাল ফুকনৰ সৈতে জড়িত থকাৰ অভিযোগত চুমি বৰা আৰু তেওঁৰ স্বামীক আটক কৰিছে। এই অভিযুক্তকেইজনে ট্ৰেডিং ব্যৱসায়ত বিনিয়োগ কৰিবলৈ বিভিন্ন লোকক প্ৰলোভন দিয়াৰ লগতে দুমাহত ৩০ শতাংশ ধন ওভোটাই দিয়াৰ প্ৰতিশ্ৰুতি দিছিল। তেওঁলোকে আনকি ভুৱা তথ্য প্ৰদান কৰিও বিনিয়োগকাৰী গ্ৰাহকসকলক প্ৰলোভিত কৰিছিল। আজি আটক কৰাৰ পাছত আৰক্ষীয়ে দুয়োকে গ্ৰেপ্তাৰ কৰি নিজৰ জিম্মাত লোৱা বুলি জানিব পৰা গৈছে।

আনহাতে, গুৱাহাটী আৰক্ষীয়ে আজি বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন এগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্মক গ্ৰেপ্তাৰ কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে, গুৰুতৰ অবৈধ অনলাইন ট্ৰেডিঙৰ ঘটনাৰ সৈতে জড়িত হৈ থকাৰ অভিযোগত ৪২ জন লোকক গ্ৰেপ্তাৰ কৰিছে। ইপিনে, এনেধৰণৰ অবৈধ ধন লেনদেনৰ ব্যৱসায়ত আন এজন অভিযুক্ত দীপাংকৰ বৰ্মন নামৰ লোকজন পলাতক অৱস্থাত আছে।

০০০০

অহা ১৫ ছেপ্তেম্বৰত অনুষ্ঠিত হ'বলগীয়া অসম চৰকাৰৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ পৰীক্ষা বৰপেটা জিলাত নিয়াৰিকৈ অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসনে সকলো ধৰণৰ প্ৰস্তুতি অব্যাহত ৰাখিছে। পদক্ষেপ অংশ হিচাপে আজি আৰক্ষী প্ৰশাসনৰ লগত জিলা প্ৰশাসনৰ এখন বৈঠক অনুষ্ঠিত হোৱাৰ উপৰি পৰীক্ষা কেন্দ্ৰবোৰো পৰ্যবেক্ষণ কৰা হয়। জিলা আয়ুক্ত আয়ুষ গাৰ্গে নমুনা ভিত্তিত কেইবাটাও কেন্দ্ৰ পৰিদৰ্শন কৰি সুৰক্ষা ব্যৱস্থাৰ বুজ লয়। একেদৰে কেইবাজনো অতিৰিক্ত জিলা আয়ুক্তই আন একাংশ কেন্দ্ৰ পৰিদৰ্শন কৰে। সমান্তৰালভাৱে আৰক্ষীয়েও পৰীক্ষা কেন্দ্ৰবোৰৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ ইতিমধ্যে ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে কেন্দ্ৰবোৰৰ অন্তৰ্ভুক্ত হৈ থকা আৰক্ষী থানাবোৰৰ ভাৰপ্ৰাপ্ত বিষয়াসকলৰ লগত নিয়মীয়া বৈঠক অনুষ্ঠিত কৰা হৈছে।

আনহাতে, চৰাইদেউ জিলাত আগন্তুক ১৫ আৰু ২৯ ছেপ্তেম্বৰ তথা ২৭ অক্টোবৰত জিলাখনৰ অসম প্ৰত্যক্ষ নিযুক্তি আয়োগৰ অধীনত তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ বাবে জিলাখনত অনুষ্ঠিত হ'বলগীয়া অসম প্ৰত্যক্ষ নিযুক্তি পৰীক্ষা প্ৰক্ৰিয়া সুচাৰু ৰূপে অনুষ্ঠিত কৰাৰ বাবে চৰাইদেউ জিলা আয়ুক্ত নিবেদন দাস পাটোৱাৰীয়ে অসম শক্তি বিতৰণ নিগম লিমিটেডৰ চৰাইদেউ, মৰাণ, ডিমৌ বৈদ্যুতিক উপ সংমণ্ডলৰ উপ-মাণ্ডলিক অভিযন্তাক পৰীক্ষা কেন্দ্ৰসমূহত পৰীক্ষাৰ দিনা নিৰৱিচ্ছিন্ন বিদ্যুৎ যোগান নিশ্চিত কৰাৰ বাবে এক পত্ৰযোগে নিৰ্দেশ প্ৰদান কৰিছে। পৰীক্ষাৰ প্ৰক্ৰিয়া শান্তিপূৰ্ণভাৱে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে পথৰ দাঁতিত বহা হাট-বজাৰ বন্ধ ৰখাৰ বাবে নিৰ্দেশ জাৰি কৰিছে। অনুকূল বাতাবৰণ বৰ্তাই ৰখাৰ স্বাৰ্থত তথা যাঁন-জট ৰোধৰ বাবে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০০

১৪ ছেপ্তেম্বৰত অৰ্থাৎ পৰহিলৈ দেশজুৰি হ'বলগীয়া ৰাষ্ট্ৰীয় লোক আদালতৰ কাৰ্যসূচীৰ অংশ হিচাপে দক্ষিণ শালমাৰা মানকাচৰ জিলাত লোক আদালত অনুষ্ঠিত কৰাৰ বাবে প্ৰস্তুতি অব্যাহত আছে। জিলা আইন সেৱা প্ৰাধিকাৰীৰ উদ্যোগত জিলাখনত ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। জিলাখনৰ ফেকামাৰীৰ জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালত চৌহদত হ'বলগীয়া লোক আদালতত সৰু সৰু অপৰাধ, দেৱানী বিবাদ, মটৰ বাহন আইন সম্পৰ্কীয় গোচৰ, অসামৰিক বিবাদৰ গোচৰ, পাৰিবাৰিক সমস্যাৰ লগতে বিভিন্ন গোচৰসমূহ আপোচ মীমাংসাৰ জৰিয়তে নিষ্পত্তি কৰা হ'ব। এই গোচৰসমূহৰ সৈতে জড়িতসকলক ১৪ আগষ্টত লোক আদালতত উপস্থিত হ'বলৈ জিলা আইন সেৱা প্ৰাধিকৰণে আহ্বান জনাইছে। উল্লেখযোগ্য যে জিলাখনত

এইবাৰ প্ৰায় ৭ হাজাৰ গোচৰ নিষ্পত্তিৰ বাবে প্ৰাধিকৰণৰ ফালৰপৰা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ইতিমধ্যে গোচৰৰ অভিযুক্তসকলে সংশ্লিষ্ট গোচৰ সংক্ৰান্তত ১ কোটি ৬০ লাখ টকা জমা কৰিছে বুলি প্ৰাধিকৰণে জানিবলৈ দিয়ে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ছেপ্তেম্বৰত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৪ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰলৈ ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৭ ছেপ্তেম্বৰ পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে ২৯ ছেপ্তেম্বৰত দিনৰ ১১ বজাত এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

**সমাপ্ত**